# ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা লাভ কৰা অসমৰ তিনিগৰাকী কৃষক আৰু এটি আত্মসহায়ক গোট

আমাৰ বাবে গৌৰৱৰ বিষয় যে, ৰাজ্যখনৰ তিনিগৰাকী কৃষক আৰু এটি আত্মসহায়ক গোটে কৃষিখণ্ডত দেখুওৱা বহুমুখী সফলতাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰি অসমলৈ সুনাম আৰু গৌৰৱৰ বতৰা বহন কৰি আনিছে। কৃষিক্ষেত্ৰত বিভিন্ন ক্ষেত্ৰত চমকপ্ৰদ সফলতা দেখুওৱা ভাৰতবৰ্ষৰ ১০১ গৰাকী কৃষকক অলপতে নতুন দিল্লীৰ বিজ্ঞান ভৱনত কেন্দ্ৰীয় চৰকাৰৰ কৃষিমন্ত্ৰালয়ে কেন্দ্ৰীয় কৃষিমন্ত্ৰী শ্ৰীশাৰদ পাৱাৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত সন্মান জনাইছিল। এই ১০১ গৰাকী কৃষকৰ মাজত অসমৰ তিনিগৰাকী কৃষক আৰু এটা আত্মসহায়ক গোটেও স্থান লাভ কৰাৰ দৰে বিৰল সন্মানৰ অধিকাৰী হ'ব পাৰিছে। এই তিনিগৰাকী কৃষক আৰু আত্মসহায়ক গোটটো হ'ল ক্ৰমে বঙাইগাওঁ জিলাৰ কোকিলা গাঁৱৰ শ্ৰীমন্টাজ আলি, নগাওঁ জিলাৰ ৰাইদঙীয়া ফুলগুৰিৰ শ্ৰীআব্দুল খালেক, গোৱালপাৰা জিলাৰ আব্ৰাভিটা গাঁৱৰ শ্ৰীআব্দুল হামিল আৰু কোকৰাঝাৰ চহৰৰ মহিলা আত্মসহায়ক গোট - মাইনাও কৃষি বহুমুখী সমিতি।

